
# পাঠ ঃ১৯
# পৰিকল্পনা, বাজেট আৰু উন্নয়ন

**মূল অৰ্হতা ঃ**

- প্ৰতিটো পৰিয়ালৰে যে এক নিৰ্দিষ্ট পৰিকল্পনা থাকে সেই বিষয়ে বুজি পোৱা।
- প্ৰতিটো পৰিয়ালেই যে এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত নিৰ্দিষ্ট আয় বা উপাৰ্জনৰ দ্বাৰা পৰিচালিত হয় তাৰ আভাস পোৱা।
- প্ৰতিখন ৰাষ্ট্ৰ পৰিচালনাৰ বাবে যে চৰকাৰী পৰিকল্পনা অপৰিহাৰ্য তাক বুজি পোৱা।
- প্ৰতিখন ৰাষ্ট্ৰই নিজৰ আয়ৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট সময়ৰ বাবে বাজেট প্ৰস্তুত কৰে সেই বিষয়ে জনা।
- পৰিয়াল আৰু দেশৰ প্ৰগতিত পৰিকল্পনা আৰু বাজেটৰ গুৰুত্ব উপলব্ধি কৰা।

এইবাৰ মনীষাৰ জন্মদিন দেওবাৰ এটাত পৰিছে। তাতে পিছদিনা সোমবাৰটোও চৰকাৰী ছুটীৰ দিন। কথাটো জানি মনীষা আৰু ককায়েক ঋষভৰ উলাহৰ অন্ত নাই। সিহঁতহালৰ অনেক জল্পনা-কল্পনা। কাৰণ বন্ধৰ দিনৰ মজাই বেলেগ তাতে আকৌ জন্মদিনৰ মজা। মাক অৰুণিমায়ো দুটা বন্ধৰ দিন একেলগে পোৱা কাৰণে ভাল পাইছে।

আহাচোন তলৰ কথাখিনিৰ পৰা মনীষাৰ পৰিয়ালে তেওঁৰ জন্মদিনটো কেনেদৰে উদ্‌যাপন কৰিব বিচাৰিছে তাৰ আভাস পাও—



মনীষাহঁতৰ আচল ঘৰ দৰং জিলাৰ পাথৰিঘাটত। ল'ৰা-ছোৱালীহালক পঢ়ুৱাবৰ বাবে সিহঁতৰ সৈতে মাক অৰুণিমা যোৱা বছৰৰ পৰা মঙলদৈ চহৰৰ নতুন ঘৰটোত থাকিবলৈ লৈছে। চাকৰিৰ দায়িত্ব এৰাব নোৱাৰা বাবে দেউতাক গুৱাহাটীৰ ভাড়াঘৰত থাকে। কাৰ্যালয় বন্ধৰ দিনত মঙলদৈলৈ আহে। গুৱাহাটীত থকা দেউতাকৰ লগত অৰুণিমাই ম'বাইলত কথা পাতিছে—



অৰুণিমাই ল'ৰা-ছোৱালীহালৰ লগতে সিহঁতৰ দেউতাকৰ মনৰ ইচ্ছাখিনি জানি লৈ চিন্তা কৰিলে যে পৰিয়ালৰ সকলোৰে মনত ভাল লগাকৈ মনীষাৰ জন্মদিনটো পালন কৰা উচিত। কাৰণ পৰিয়ালটো সুখে-সন্তোষে থাকিবলৈ হ'লে ল'ৰা-ছোৱালী বা জ্যেষ্ঠ জনৰ সদিচ্ছাবোৰক সদায় গুৰুত্ব দিব লাগে। পৰিয়ালৰ কল্যাণৰ বাবেও এনেবোৰ চিন্তা গ্ৰহণ কৰিবলগীয়া।

এইবাৰ আটাইকেইজনৰ ইচ্ছাবোৰক অৰুণিমাই পুনৰবাৰ মনৰ ভিতৰত আওৰাই ল'লে—










তিনিওৰে ইচ্ছাবোৰ মহৎ আৰু গ্ৰহণ কৰিবলগীয়া। মনীষাৰ জন্মদিনটো সেইমতেই হওক বুলি অৰুণিমাই সিদ্ধান্ত লৈ পেলালে। পাথৰিঘাটৰ ঘৰলৈকো ফোন কৰি সকলোখিনি জনালে। তাৰ পিছত তেওঁ তলৰ কথাখিনি ভালদৰে জুকিয়াই ল'লে—

- জন্মদিনটো পালন কৰিবলৈ সময় হিচাপে দুদিনৰ প্ৰয়োজন হ'ব।
- দুদিনৰ কাৰণে ভাড়া গাড়ী এখন বন্দোবস্ত কৰিব লাগিব। তেলৰ পইচা বেলেগে দিব লাগিব।
- পাথৰিঘাট আৰু বিজ্ঞান যাদুঘৰলৈ যাওঁতে লগত কিছু খোৱা সামগ্ৰী লৈ যাব লাগিব।
- মনীষাৰ বন্ধু-বান্ধৱীক খুৱাবলৈ বস্তুৰ যোগাৰ কৰিব লাগিব।
- বিপুলৰ বাবে স্কুলবেগ এটা কিনিব লাগিব।
- দুই এটা সৰু-সুৰা দৰবো লগত লৈ যাব লাগিব....।

কথাখিনি আৰু এবাৰ চিন্তা কৰি অৰুণিমাই বহীত লিখি ল'লে। লিখা শেষ কৰি তেওঁ দুয়োদিনৰ বাবে হ'বলগীয়া আনুমানিক খৰচৰ চিন্তা কৰাত লাগিল। কাৰণ খৰচখিনি তেওঁৰ হাতত থকা ধনৰ পৰাই কৰিব লাগিব।

অৰুণিমা এগৰাকী মিতব্যয়ী মহিলা। নভবা-নিচিন্তাকৈ তেওঁ কেতিয়াও টকা-পইচা অবাবত খৰচ নকৰে। মাহটোৰ বাবে প্ৰয়োজনীয় খৰচ কৰি ৰাহি হোৱা ধনখিনি অৰুণিমাই প্ৰতিমাহে নিয়মিত সঞ্চয় কৰে। সঞ্চয়ৰ ধন আৰু সেইমাহৰ

খৰচৰ বাবে হাতত থকা ধনৰ পৰাই তেওঁ মনীষাৰ জন্মদিন উপলক্ষে বিভিন্ন শিতানত হ'বলগীয়া খৰচৰ এটা হিচাপ প্ৰস্তুত কৰি উলিয়ালে।

অৰুনিমাই চিন্তা কৰি প্ৰস্তুত কৰা মতে হ'বলগীয়া খৰচৰ তালিকাখন এনে ধৰণৰ—

| হাতত থকা ধনৰ পৰিমাণ | বিভিন্ন শিতানত হ'বলগীয়া খৰচৰ হিচাপ | |
|---|---|---|
| • মাহটোৰ খৰচৰ বাবে হাতত পোৱা ধন— ২০,০০০·০০ টকা<br>• আগৰ জমা (সঞ্চয়) ধন— ১০,০০০·০০ টকা | • ভাড়াগাড়ী বাবদ— | ৩,০০০·০০ টকা |
| | • ডিজেলৰ বাবদ— | ২,০০০·০০ টকা |
| | • লগত নিবলগীয়া খোৱা বস্তুৰ বাবদ— | ৮০০·০০ টকা |
| | • মনীষাৰ বন্ধু-বান্ধবীক খুউৱাৰ বাবদ— | ২,০০০·০০ টকা |
| | • বিপুলৰ স্কুলবেগৰ বাবদ— | ৪০০·০০ টকা |
| | • দৰৱ-পাতিৰ বাবদ— | ১৫০·০০ টকা |
| মুঠ ধন— ৩০,০০০·০০ টকা | **হ'বলগীয়া মুঠ খৰচ —** | ৮,৩৫০·০০ টকা |

মনীষাৰ জন্মদিন উদ্‌যাপনৰ কথাখিনি আমিও এনেদৰে ভাবি চাও আহা—

- মাক অৰুণিমাই মনীষাৰ জন্মদিনটো এনেদৰে পালন কৰিবলৈ চিন্তা কৰিছে যাতে পৰিয়ালৰ সকলোৱে আনন্দ লাভ কৰে।
- দুয়ো দিনতে কিছুমান বিশেষ কাম নিৰ্ধাৰিত হ'ব।
- কামবোৰ কৰিবলৈ অৰ্থ বা টকা-পইচাৰ প্ৰয়োজন হ'ব।
- মাহটোৰ খৰচৰ বাবে তেওঁৰ  হাতত থকা ধন আৰু ৰাহি ধনৰ পৰাই জন্মদিনৰ খৰচ উলিয়াব লাগিব।
- খৰচবোৰ কৰোঁতে ভাবি-চিন্তি কৰিব লাগিব যাতে টকা-পইচাৰ অপব্যয় নহয়।
- জন্মদিনটো উদ্‌যাপন কৰাৰ নামত পৰিয়ালটোৰ কল্যাণ ব্যাহত হ'ব নালাগিব।

ওপৰৰ  কথাখিনিৰ পৰা তোমালোকে নিশ্চয় ধাৰণা কৰিব পাৰিছা যে মাকে মনীষাৰ জন্মদিনটো পালন কৰিবলৈ প্ৰথমতে এক পৰিকল্পনা কৰিছে। পৰিকল্পনামতে কামবোৰ নিয়াৰিকৈ কৰিবলৈ খৰচৰ এক হিচাপো প্ৰস্তুত কৰি উলিয়াইছে।

**এইদৰে অৰুণিমাই ছোৱালীৰ জন্মদিন উপলক্ষে যিখিনি কামৰ চিন্তা আগতীয়াকৈ কৰিছে সেয়া হৈছে জন্মদিনৰ পৰিকল্পনা। এই পৰিকল্পনামতে কামসমূহ ৰূপায়ণ কৰিবলৈ কিমান অৰ্থ বা টকা-পইচাৰ প্ৰয়োজন হ'ব, সেই অৰ্থ ক'ৰ পৰা পাব, কেনেকৈ খৰচ কৰিব আদিৰ হিচাপ তেওঁ যিদৰে কৰিছে সেয়া হৈছে জন্মদিনৰ বাজেট।**

ঠিক তেনেদৰে প্ৰতিটো পৰিয়ালৰে মাহিলী কৰিবলগীয়া কামৰ এক নিৰ্দিষ্ট পৰিকল্পনা থাকে। পৰিকল্পিত কামসমূহ

সম্পন্ন কৰিবলৈ পৰিয়ালে নিজস্ব মাহিলী বাজেট প্ৰস্তুত কৰি লয় যাতে উপাৰ্জিত ধনেৰে পৰিয়ালটো ভালদৰে চলিব পাৰে।

ওপৰৰ কথাখিনিৰ আলমত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ চেষ্টা কৰা—

- অৰুণিমাই মনীষাৰ জন্মদিনটো কেনেদৰে উদ্‌যাপন কৰিবলৈ বিচাৰিছে?
- জন্মদিন পালনৰ বাবে প্ৰয়োজনীয় ধন তেওঁ ক'ৰ পৰা পাব?
- জন্মদিন উদ্‌যাপনৰ বাবে পৰিকল্পনা কৰাৰ প্ৰয়োজন কি?
- মিতব্যয়িতা মানে কি?

**জানি থওঁ আহা ঃ**

মিতব্যয়িতা এটা সজ গুণ। ঘৰুৱা সম্পদৰ লগতে ৰাজহুৱা সম্পদো মিতব্যয়িতাৰে ব্যৱহাৰ কৰিবলৈ মানুহে সৰুৰে পৰাই শিকিব লাগে। কিয়নো ই হ'ল পৰিয়ালৰ লগতে দেশৰো আৰ্থিক উন্নতিৰ সোপান।

ইতিমধ্যে আগৰ পাঠত তোমালোকে পাই আহিছা যে দেশ আৰু দেশৰ জনসাধাৰণৰ বাবে চৰকাৰে বিভিন্ন কাম-কাজ কৰে। সাধাৰণতে এনে কামৰ তালিকাত কল্যাণমূলক কাম-কাজবোৰক প্ৰাধান্য দিয়া হয়। এই কল্যাণমূলক কামসমূহ কেতিয়া, কেনেকৈ, কাৰ দ্বাৰা কৰা হ'ব, সেই বিষয়ে চৰকাৰে আগতীয়াকৈ চিন্তা কৰি এক পৰিকল্পনা যুগুত কৰে। **সেই পৰিকল্পনাসমূহ বাস্তবায়িত কৰিবলৈ এটা নিৰ্দিষ্ট সময়ত দেশৰ কিমান অৰ্থ খৰচ বা ব্যয় হ'ব, সেই অৰ্থ ক'ৰ পৰা আহিব, চৰকাৰৰ উপাৰ্জন কিমান হ'ব আদি আৰ্থিক দিশৰ কথাবোৰ জড়িত হৈ থাকে বাবে এনে পৰিকল্পনাক অৰ্থনৈতিক পৰিকল্পনা বুলি কোৱা হয়।** ঘৰুৱা পৰিকল্পনা মতে কাম কৰিবলৈ পৰিয়াল এটাই যিদৰে বাজেট নিৰ্ধাৰণ কৰে চৰকাৰী পৰিকল্পনা মতে কাম কৰিবলৈও চৰকাৰী বাজেট প্ৰস্তুত কৰি লোৱা হয় যাতে প্ৰতিটো শিতানত সঠিক খৰচ বা বিনিয়োগ কৰিব পাৰি।

আমাৰ দেশত সাধাৰণতে পাঁচবছৰৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা হয় যাক **পঞ্চবাৰ্ষিক পৰিকল্পনা** বুলি কওঁ। ১৯৫১ চনৰ পৰা আমাৰ দেশত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে দেশখনৰ আৰ্থিক উন্নতিৰ কাম হাতত লোৱা হৈছে। তদুপৰি বছৰটোৰ ভিতৰত কৰিবলগীয়া কামৰ পৰিকল্পনাও চৰকাৰে কৰে যাক **বাৰ্ষিক পৰিকল্পনা** বোলে। এই পৰিকল্পনাসমূহ সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ আমাৰ দেশত এখন নিৰ্দিষ্ট আয়োগ আছে যাক বৰ্তমান 'নীতি আয়োগ' হিচাপে নামকৰণ কৰা হৈছে।এই আয়োগে প্ৰস্তুত কৰা পৰিকল্পনা অনুসৰি চৰকাৰে নানাধৰণৰ আঁচনি গ্ৰহণ কৰে। **প্ৰধানমন্ত্ৰী** হ'ল এই আয়োগৰ **অধ্যক্ষ**। পৰিকল্পনাৰ উদ্দেশ্য হ'ল জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নত কৰি দেশখনক সমৃদ্ধিৰ পথত আগুৱাই লৈ যোৱা। আগলৈ তোমালোকে আমাৰ দেশৰ পৰিকল্পনা সম্পৰ্কে অধিক দৰকাৰী কথা জানিবলৈ পাবাহক।

এতিয়া নিশ্চয় তোমালোকে বুজি পাইছা যে চৰকাৰী পৰিকল্পনাত উন্নয়নমূলক কাম-কাজকহে গুৰুত্ব প্ৰদান কৰা হয় আৰু এই কাম-কাজৰ ৰূপায়ণৰ বাবে চৰকাৰক অৰ্থ বা বিত্তৰ প্ৰয়োজন হয়। এই প্ৰয়োজনীয় অৰ্থ বা বিত্ত চৰকাৰে ক'ৰপৰা আহৰণ কৰে বাৰু? আগৰ শ্ৰেণীৰ পাঠত তোমালোকে **কৃষি, উদ্যোগ** আৰু **সেৱাখণ্ডৰ** বিষয়ে কিছু আভাস পাইছা। **প্ৰাকৃতিক আৰু মানৱ সম্পদ ব্যৱহাৰ কৰি এই তিনিওটা খণ্ডৰ পৰা যি সামগ্ৰী বা সেৱা উৎপাদন হয় তাৰ পৰাই চৰকাৰ এখনৰ মুঠ আয় বা উপাৰ্জন নিৰ্ধাৰিত হয়।** সেয়েহে ৰাষ্ট্ৰৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ অধিক উৎপাদন হোৱাটো বাঞ্ছনীয়। চৰকাৰে এই উপাৰ্জনৰ এটা বুজন অংশ জনসাধাৰণৰ ভোগ বা কল্যাণৰ বাবে খৰচ কৰি বাকী ৰাহি হোৱা অংশখিনি **চৰকাৰী ৰাজকোষত** জমা কৰে। অৰ্থাৎ অৰুণিমাৰ দৰে চৰকাৰেও ৰাহিধন সঞ্চয় কৰে। এই সঞ্চয় বা জমাধন বিভিন্ন ব্যক্তি বা প্ৰতিষ্ঠানক ধাৰলৈ দি চৰকাৰে **সুদ** আদায় কৰে আৰু চৰকাৰৰ আয় বৃদ্ধি কৰে। ইয়াৰ উপৰি চৰকাৰে বিভিন্ন ধৰণৰ কৰ-কাটলৰ ব্যৱস্থাও কৰে। দেশৰ জনসাধাৰণলৈ আগবঢ়োৱা

**জানি থওঁ আহা ঃ**

আমাৰ দেশত দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা ২০১২ চনৰ এপ্ৰিল মাহত আৰম্ভ হৈ ২০১৭ চনত সমাপ্ত হয়।

বিভিন্ন সেৱাৰ বাবদ এই **কৰ-কাটল**বোৰ নির্ধাৰণ কৰা হয়। উদাহৰণস্বৰূপে **আয়কৰ, বিক্রীকৰ, আবকাৰী কৰ** আদি। দেশৰ উপার্জনৰ এটা বুজন অংশ কৰ-কাটলৰ পৰা সংগ্ৰহ হয়। ৰাহি হোৱা ধন উৎপাদনমূলক কাম-কাজত বিনিয়োগ কৰি চৰকাৰে নিজৰ উপার্জন বৃদ্ধি কৰিবলৈ চেষ্টা কৰে। এইখিনিতে আৰু এটা কথা মন কৰিবা যে ৰাহিধনৰ কিছু অংশ প্রয়োজন অনুসাৰে উৎপাদন নোহোৱা কাম-কাজতো ব্যৱহাৰ কৰা হয়। যেনে—প্রাকৃতিক দুর্যোগত ক্ষতিগ্রস্ত হোৱা লোকসকলৰ বাবে আগবঢ়োৱা সাহায্য, কূটাঘাতমূলক কার্যৰ ফলত ক্ষতিগ্রস্ত বা সংঘৰ্ষপীড়িত অঞ্চলৰ মানুহৰ বাবে আগবঢ়োৱা সাহায্য আদি। চৰকাৰৰ এনেবোৰ ব্যৱস্থাই আকস্মিক দুর্যোগ বা দুর্ঘটনাত পতিত হোৱা লোকসকলক পুনৰ সংস্থাপনৰ সুবিধা দিয়ে যাতে তেওঁলোকে পুনৰ নিজৰ নিজৰ কামত উদ্যমেৰে আগবাঢ়িব পাৰে।

**জানি থওঁ আহা ঃ**

উৎপাদন বৃদ্ধিৰ বাবে দেশৰ জনসাধাৰণক কার্যক্ষম কৰি তোলাটো নিতান্তই প্রয়োজন। কার্যক্ষম ব্যক্তিহে মানৱ সম্পদ হিচাপে বিবেচিত হয়। সেয়েহে দেশৰ প্রগতিৰ বাবে চৰকাৰে মানব সম্পদ গঢ়াত যথেষ্ট গুৰুত্ব প্রদান কৰে।

বিপুলৰ দৰে বাধাগ্রস্ত ল'ৰা এজনো উপযুক্ত শিক্ষা আৰু প্রশিক্ষণৰ ফলত একোটা সম্পদত পৰিণত হ'ব পাৰে। তাৰবাবে চৰকাৰী প্রচেষ্টাৰ লগতে আমাৰ পৰিয়াল আৰু সমাজেও আগভাগ ল'ব লাগিব।



**ওপৰৰ কথাখিনিৰ আলমত তলৰ প্রশ্নকেইটাৰ উত্তৰ দিয়া ঃ**

- দেশ এখনে কাৰ কল্যাণৰ হকে কাম কৰে?
- চৰকাৰ এখনৰ উপার্জনৰ মূল উৎস কি?
- কি কামত চৰকাৰে বিনিয়োগ কৰে?
- বার্ষিক পৰিকল্পনা কি?
- আমাৰ দেশত কেতিয়াৰ পৰা পঞ্চবার্ষিক পৰিকল্পনাৰ কাম হাতত লোৱা হৈছিল?

**মনত ৰাখিবলগীয়া কথা ঃ**

- পৰিয়ালৰ কল্যাণৰ বাবে পৰিয়ালৰ সদস্যসকলৰ গঠনমূলক মনোভাৱক গুৰুত্ব দিয়াটো বাঞ্ছনীয়।
- প্রতিটো পৰিয়ালৰে এটা নির্দিষ্ট সময়ৰ ভিতৰত কৰিবলগীয়া কামৰ পৰিকল্পনা থাকে।
- পৰিকল্পনা মতে কাম কৰিবলৈ পৰিয়ালসমূহে নিজস্ব বাজেট প্রস্তুত কৰে।
- চৰকাৰে কৰা কাম-কাজত কল্যাণমূলক কামবোৰে প্রাধান্য পায়।
- কল্যাণমূলক কাম-কাজসমূহ ভালদৰে ৰূপায়িত কৰিবলৈ চৰকাৰে পৰিকল্পনা আৰু বাজেট প্রস্তুত কৰে।

- পৰিকল্পনা প্ৰস্তুত কৰিবলৈ এখন নীতি আয়োগ আছে। প্ৰধানমন্ত্ৰী এই আয়োগৰ অধ্যক্ষ।
- আমাৰ দেশত সাধাৰণতে পাঁচবছৰৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা হয় যাক পঞ্চবাৰ্ষিক পৰিকল্পনা বোলে।
- ১৯৫১ চনৰ পৰাই আমাৰ দেশত পঞ্চবাৰ্ষিক পৰিকল্পনা কাৰ্যকৰী হয়।
- এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত দেশে কৰা মুঠ উপাৰ্জন বা আয়ক ৰাষ্ট্ৰীয় আয় বোলে।
- উপাৰ্জনৰ বুজন অংশ কৃষি, উদ্যোগ আৰু সেৱাৰ পৰা উপলব্ধ হয়।
- আয় বৃদ্ধি হলে দেশে কল্যাণমূলক কামবোৰত অধিক ব্যয় কৰিব পাৰে।
- আয় বাঢ়িলে সঞ্চয় বাঢ়ে আৰু সঞ্চয় বাঢ়িলে বিনিয়োগ বাঢ়ে।

## অনুশীলনী ঃ

১। **চমু উত্তৰ লিখা—**

(ক) সঞ্চয়ৰ অৰ্থ কি?

(খ) পৰিকল্পনা কাক বোলে?

(গ) বাজেট মানে কি ?

(ঘ) কল্যাণমূলক কাম কাক বোলে ?

(ঙ) কোনবোৰ ব্যক্তিক মানৱ সম্পদ বুলি কোৱা হয়?

২। **উত্তৰ লিখা—**

(ক) কোনো এখন দেশৰ পৰিকল্পনাত কোনবোৰ কামক গুৰুত্ব দিয়া হয়? কামবোৰ কৰিবলৈ চৰকাৰে কেনেদৰে অৰ্থ আহৰণ কৰে?

(খ) পাঠত উল্লেখ কৰাৰ উপৰি চৰকাৰে আৰু কি কি ক্ষেত্ৰত ৰাহি ধন খৰচ কৰে? (শিক্ষকৰ সহায় লৈ লিখা।)

৩। **শুদ্ধ উত্তৰটো বাছি উলিওৱা—**

(ক) নীতি আয়োগৰ অধ্যক্ষ— (i) ৰাষ্ট্ৰপতি (ii) বিত্তমন্ত্ৰী (iii) প্ৰধানমন্ত্ৰী (iv) গৃহমন্ত্ৰী।

(খ) পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাৰ্যকাল—(i) ৪ বছৰ (ii) ৬ বছৰ (iii) ৮ বছৰ (iv) ৫ বছৰ

(গ) পৰিকল্পনাৰ কাম-কাজ ৰূপায়ণৰ বাবে চৰকাৰক প্ৰয়োজন হয় — (i) কৃষি (ii) উদ্যোগ (iii) অৰ্থ (iv) বাণিজ্য

(ঘ) চৰকাৰৰ উপাৰ্জনৰ ৰাহি অংশ জমা হয়— (i) বেংকত (ii) প্ৰধানমন্ত্ৰীৰ হাতত (iii) ৰাজকোষত (iv) বিত্তমন্ত্ৰীৰ হাতত।

(ঙ) বিনিয়োগ মানে — (i) দুৰ্গতসকলক দিয়া সাহায্য (ii) বিদেশলৈ পঠোৱা সাহায্য (iii) অধিক উৎপাদনৰ বাবে কৰা ব্যয় (iv) বানপীড়িতৰ বাবে কৰা ব্যয়।

৪। **খালী ঠাই পূৰ কৰা—**

(ক) পৰিয়ালটো সুখে-সন্তোষে থাকিবলৈ হ'লে পৰিয়ালৰ আটাইৰে সদিচ্ছাবোৰক ________ দিব লাগে।

(খ) অৰুণিমা এগৰাকী ________ মহিলা।

(গ) প্ৰতিটো পৰিয়ালৰে মাহিলী কৰিবলগীয়া কামৰ এক নিৰ্দিষ্ট ________ থাকে।

(ঘ) চৰকাৰী পৰিকল্পনামতে কাম কৰিবলৈ ________ প্ৰস্তুত কৰি লোৱা হয়।

(ঙ) দেশৰ উপাৰ্জনৰ এটা বুজন অংশ ________ পৰা সংগ্ৰহ হয়।

৫। **প্ৰকল্প ঃ**

তোমালোকৰ নিজৰ বিদ্যালয়ত অনুষ্ঠিত কৰা যিকোনো এটা অনুষ্ঠানৰ বাবে এটা পৰিকল্পনা প্ৰস্তুত কৰা। পৰিকল্পনা অনুযায়ী বিভিন্ন শিতানত হ'বলগীয়া খৰচৰ এখন তালিকা প্ৰস্তুত কৰা।

✧✧✧✧✧✧